**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-01-2026
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময়।
২। তিতাবৰ-ডেৰগাওঁ আৰু বৰপেটাৰ পাকা বেতবাৰী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।
৩। আজিৰে পৰা জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন।
৪। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাভা-হাছং সাংস্কৃতিক সমাৰোহ।
***আৰু***
৫। জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৪১২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ সংস্কৰণত প্ৰধানমন্ত্ৰীয়ে পৰীক্ষাৰ সময়ত কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰি সেই সন্দৰ্ভত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজস্ব শিকন পদ্ধতিৰ ওপৰত আস্থা ৰাখিবলৈ পৰামৰ্শ দি কয়, যে কোনো দুজন ব্যক্তিৰ চিন্তা-ধাৰা কেতিয়াও একে হ'ব নোৱাৰে। তেওঁ কয়, যে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে পঢ়াৰ এটা নিৰ্দিষ্ট শৈলী থাকে আৰু তেওঁলোকে পৰীক্ষাৰ বাবে নিজৰ প্ৰস্তুতিৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিব লাগে। শিক্ষাৰ্থীসকলে লগতে শিক্ষক আৰু অভিভাৱকসকলে দিয়া পৰামৰ্শসমূহ ভালদৰে অনুধাৱন কৰিব লাগে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে শিক্ষাৰ্থীসকলে অন্ধভাৱে আনক অনুকৰণ কৰাৰ পৰিৱৰ্তে নিজৰ অভিজ্ঞতা আৰু জ্ঞানেৰে যিকোনো পৰামৰ্শ গ্ৰহণ কৰিব লাগে বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে শিক্ষকসকলক প্ৰতিগৰাকী শিক্ষাৰ্থীৰ শিকন ক্ষমতা সন্দৰ্ভত সংবেদনশীল হ'বলৈ পৰামৰ্শ আগবঢ়ায়।

পৰীক্ষা পে চৰ্চা অনুষ্ঠানত অংশ লোৱা শিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ স্বাভীমান গামোচাৰে আদৰণি জনায়। লগতে অনুষ্ঠানত অসমৰ গামোচাখন প্ৰধানমন্ত্ৰীৰ প্ৰিয় বুলি উল্লেখ কৰে। অসম আৰু উত্তৰ-পূৱৰ মহিলাসকলক নাৰী সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ উদাহৰণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰসংশা কৰে।

বাইট ঃ পি এম

অসমৰ ৰাজ্যপাল লক্ষন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ বৰঝাৰৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চাৰ নৱম সংস্কৰণত অংশগ্ৰহণ কৰে। কাৰ্যসূচী শেষ হোৱাৰ পিছত ৰাজ্যপাল শ্ৰীআচাৰ্যই কয়, যে ছাত্ৰ ছাত্ৰীৰ সৈতে একেলগে বহি প্ৰধানমন্ত্ৰীৰ কথা শুনিলে তেওঁৰ স্কুলীয়া দিনৰ কথা মনত পৰে। ৰাজ্যপালগৰাকীয়ে কয়, যে পৰীক্ষা পে চৰ্চা কেৱল কাৰ্যসূচী নহয়, বৰঞ্চ আত্মবিশ্বাস, ইতিবাচক জীৱনৰ মূল্যবোধ আৰু শিক্ষণৰ প্ৰতি নিৰ্ভিক দৃষ্টিভংগী জগাই তোলা এক অৰ্থপূৰ্ণ আলোচনা।

উল্লেখযোগ্য যে এইবেলি উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী এগৰাকীয়েও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ সৈতে মত-বিনিময় কৰাৰ সুযোগ লাভ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ এই অনুষ্ঠানত অংশ গ্ৰহণ কৰি অৰ্পিতা দাস নামৰ ছাত্ৰীগৰাকীয়ে এনেদৰে কয়ঃ

বাইট ঃ অৰ্পিতা দাস-ছাত্ৰী

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি তিতাবৰ বিধানসভা সমষ্টিৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ খেল-পথাৰত আয়োজিত এটা অনুষ্ঠানত ৩৫ হাজাৰৰো অধিক মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই সাহায্য আৰ্থিক প্ৰগতিৰ বাবে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। যিসকল মহিলাই এই ধন প্ৰগতিৰ বাবে ব্যৱহাৰ কৰি চৰকাৰক ইতিবাচক ফলাফল দেখুৱাবলৈ সক্ষম হয় তেওঁলোকক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এই ধনৰ পৰিমাণ পৰৱৰ্তী পৰ্যায়ত পুনৰ বৃদ্ধি হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে ডঃ শৰ্মাই দেৰগাঁৱত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত চেক বিতৰণ কৰে। এই উপলক্ষে লাচিত বৰফুকন পুলিচ একাডেমী ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই ধনৰাশিৰ সদ্ব্যৱহাৰেৰে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। মহিলাসকল আৰ্থিকভাৱে সবল হ'লেহে গ্ৰাম্য অৰ্থনীতি টনকিয়াল হ'ব বুলি ডঃ শৰ্মাই উল্লেখ কৰে।

-বাইট (মুখ্যমন্ত্ৰী)-

বৰপেটা জিলাৰ পাকা বেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘিলাজাৰি - ৰূপসী আৰু পাকা বেতবাৰী উন্নয়ন খণ্ডৰ ২ হাজাৰ ৬০০ আত্মসহায়ক গোটৰ ৮ হাজাৰ ৬০০ গৰাকী মহিলাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰা হয়। জিলাখনত অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মহিলাসকলৰ মাজত চেকসমূহ বিতৰণ কৰে।

ooooo

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। পুৱা নিকাকৰণেৰে অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছতে প্ৰাতঃপ্ৰসংগ, নাম প্ৰসংগ, গছপুলি ৰোপণ, মূৰ তোৰণ উন্মোচন, নামঘৰৰ তোৰণ উন্মোচন, শৰণ সমিতিৰ বৈঠক, মূল সমিতি আৰু আদৰণি সমিতিৰ কাৰ্যালয় উন্মোচনকে ধৰি একাধিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমেৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অধিৱেশনস্থলীত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা মূল তোৰণ, বাৰে চহৰীয়া ভাওনাৰ মণ্ডপ, চক্ৰবেহু আৰু স্বদেশী মেলাই দৰ্শনাৰ্থীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

এইবাৰৰ অধিৱেশনত কুৰি খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হ'ব। অধিৱেশনত ছখন অংকীয়া ভাওনাৰো প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অধিৱেশনত অংশগ্ৰহণ কৰাৰ কথা।

ooooo

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত গোৱালপাৰা জিলাৰ মাকৰিৰ ৰেন্দু পেন্দু পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাভা-হাছং সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। এই সমাৰোহৰ জৰিয়তে ৰাভা জনগোষ্ঠীৰ উপৰি বড়ো, গাৰো, নেপালী, হাজং, ৰাজবংশী আদি জনগোষ্ঠীৰ কলা-কৃষ্টিসমূহ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হৈছে। ৰিছি পূজাৰ জৰিয়তে কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে ছহিদ তৰ্পন, অতিথিশালা উদ্বোধন, প্ৰদৰ্শনীৰ দ্বাৰ মুকলি, খাদ্য মেলাৰ দ্বাৰ মুকলি আদি কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। বিয়লি এই সমাৰোহৰ মুকলি সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰি সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে। মুকলি সভাৰ আৰম্ভণিতে ২০০ গৰাকী যুৱক-

যুৱতীৰ ৰাভা জনগোষ্ঠীৰ ছাথাৰ নৃত্য পৰিৱেশন কৰে। বিগত ৫ বছৰে ৰাভা হাছং স্বায়ত্ত পৰিষদে এই সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰি ৰাভা জনগোষ্ঠীৰ লগতে বড়ো, গাড়ো, নেপালী, হাজং, ৰাজবংশী আদি জাতি জনগোষ্ঠীৰ কলা সংস্কৃতি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাই আহিছে। অনুষ্ঠানত অংশ গ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এইদৰে কয়ঃ

বাইট

০০০০০

ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি গুৱাহাটী খানাপাৰাৰ জ্যোতি - বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধি সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীদাসে পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলক সিদ্ধান্ত গ্ৰহণকাৰী নেতা হিচাপে গ্ৰামাঞ্চলৰ ৰূপান্তৰৰ সাধনাত নিষ্ঠাৰে ব্ৰতি হ'বলৈ আহ্বান জনায়। এই সন্মিলনত ৰাজ্যৰ নিৰ্বাচিত প্ৰায় ২ হাজাৰ ৫০০ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অসমৰ মহিলাসকলৰ বাবে পঞ্চায়তত ৫০ শতাংশৰো অধিক আসন সংৰক্ষিত আছে। নৱ নিৰ্বাচিত পঞ্চায়তৰ প্ৰতিনিধিসকলৰ ১৪ হাজাৰ মহিলা প্ৰতিনিধি নিৰ্বাচিত হৈছে। নিৰ্বাচিত এইসকল প্ৰতিনিধিক ইতিমধ্যে নিয়মীয়াভাৱে প্ৰশিক্ষণৰ লগতে মহিলা নেতৃত্ব বিকাশৰ প্ৰশিক্ষণো প্ৰদান কৰা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে যে, ৰাজ্য চৰকাৰে মহিলা সৱলীকৰণ তথা মহিলাসকলক আত্ম নিৰ্ভৰশীল কৰাৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। ৩০ লাখৰো অধিক মহিলাক আত্ম নিৰ্ভৰশীল কৰি তোলাৰ দিশত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ আৰু আঁচনিসমূহৰ বিষয়েও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত চৰকাৰৰ কেইবাগৰাকী উচ্চ পদস্থ বিষয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

অহা ৯ ফেব্ৰুৱাৰীত চাহ শ্ৰমিকৰ মাটিৰ পট্টাৰ বাবে কেন্দ্ৰীয়ভাৱে প্ৰপত্ৰ বিতৰণ কৰা হ'ব। সেই দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিনজয় চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণৰ কামৰ শুভাৰম্ভ কৰিব আৰু ৰাজ্যৰ ৮৩৬ খন বাগিচাত প্ৰপত্ৰ বিতৰণৰ কাম আৰম্ভ হ'ব। পট্টন পোৱা ভূমি ২০ বছৰলৈ বিক্ৰী কৰিব নোৱাৰিব আৰু ২০ বছৰ পাছত বিক্ৰী কৰিবলগীয়া হ'লে একেখন বাগিচাৰ শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই কথা প্ৰকাশ কৰে। চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নেৰে শিক্ষা খণ্ডত আমূল পৰিৱৰ্তন অনাৰ বাবে অব্যাহত ৰখা চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে মন্ত্ৰীগৰাকীয়ে কলিয়াবৰ বিধানসভা সমষ্টিৰ জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱ নিৰ্মিত পুথিভঁৰাল উদ্বোধন কৰাৰ লগতে বিজ্ঞান পৰীক্ষাগাৰ আৰু বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিনামূলীয়া চাইকেল বিতৰণৰো শুভাৰম্ভ কৰে।

০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ তাছখাইত ছুটাংগাত কয়লা খননৰ সময়ত ব্যৱহৃত ডিনামাইটৰ বিস্ফোৰণৰ ফলত পাহাৰৰ অংশ খহি পৰি কালি ভালেসংখ্যক শ্ৰমিকৰ মৃত্যু হোৱা ঘটনাৰ পাছতে মেঘালয় চৰকাৰে জৰুৰীভাৱে কেবিনেট বৈঠক অনুষ্ঠিত কৰে। মুখ্যমন্ত্ৰী কনৰাড চাংমাই এই ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ এই ঘটনাক ৰাজ্যখনৰ বাবে অত্যন্ত দুখঃজনক বুলি উল্লেখ কৰি ইয়াৰ উচিত তদন্তৰ নিৰ্দেশ দিয়ে। এই ঘটনাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সামাজিক মাধ্যমৰ যোগেদি গভীৰ শোক প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এই ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮লৈ বৃদ্ধি পাইছে। খনিৰ ভিতৰত এতিয়াও ভালেসংখ্যক লোক আবদ্ধ হৈ আছে। ইয়ালৈ চাই মৃতকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে।

ঘটনাস্থলীত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু আৰক্ষী বাহিনীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। নিহতসকলৰ ভিতৰত অসমৰ কাছাৰৰ কাটিগড়াৰ তিনিজন শ্ৰমিক আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। লগতে তেওঁ নিহত শ্ৰমিক তিনিজনৰ পৰিয়াললৈ ৫ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৃত শ্ৰমিকৰ সবিশেষ জনাবলৈ মেঘালয় চৰকাৰক আহ্বান জনোৱাৰ লগতে অসম আৰু মেঘালয়ৰ মুখ্য সচিবদ্বয়ে এই বিষয়ত পৰস্পৰৰ যোগাযোগত আছে।

০০০০০

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচন কেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত কুমাৰ বৰা আৰু সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'চবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

০০০০০

সদৌ বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিনিধি অধিৱেশনত আজি আবছুৰ দ্বাৰা পৰিচালিত নৱম আৰু দশম শ্ৰেণীৰ কেন্দ্ৰীয় প্ৰতিভা অনুসন্ধান পৰীক্ষাৰ বিজয়ীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বড়ো সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু সামগ্ৰিক চিন্তা-চৰ্চাৰ সমাধানৰ ক্ষেত্ৰত এবছুৱে গ্ৰহণ কৰি অহা সক্ৰিয় ভূমিকাৰ শলাগ লয়। শিক্ষা মন্ত্ৰগৰাকীয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ অধীনত ছাত্ৰ-ছাত্ৰীৰ দক্ষতাভিত্তিক শিক্ষণ আৰু শিক্ষাক প্ৰসাৰিত কৰাৰ বিষয়ত বক্তব্য

০০০০০

ভাৰত ভুটান সীমান্তৰ সুৰক্ষাৰ লগতে জন-কল্যাণমূলক কামত সদায় অগ্ৰণী ভূমিকা পালন কৰি অহা ৬৪ নম্বৰ বাহিনী এছ এছ বি, বৰমা হাউলীৰ উদ্যোগত আজি এটা বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। নাগৰিক কল্যাণ কাৰ্য্যসূচীৰ অধীনত সীমান্ত চকী পাটকীজুলিৰ অন্তৰ্গত খৈৰানী গাঁৱত এই শিবিৰটো অনুষ্ঠিত কৰা হয়। শিবিৰটোত অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১০০ টা অসুস্থ পশুক উন্নত চিকিৎসা আগবঢ়োৱাৰ লগতে পশুপালকসকলক বিনামূলীয়া ঔষদ বিতৰণ কৰা হয়। ইয়াৰ উপৰি বিশেষজ্ঞ চিকিৎসকে পশুপালনৰ সঠিক পদ্ধতি, ৰোগ প্ৰতিৰোধৰ উপায় আৰু উন্নত প্ৰজনন সন্দৰ্ভত স্থানীয় মাধ্যমক পৰামৰ্শ আগবঢ়ায়।

০০০০০

জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে ৪১২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ভাৰতে ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৪১১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮০ টা বলত ১৭৫ ৰান কৰে।

বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে ১৯ অভাৰত ৩ টা উইকেট হেৰুৱাই ১৫৮ ৰান কৰিছে।

০০০০০

সমাপ্ত